# মোৰ আখলঘৰ (পৰ্য্যায় ১)

| | |
|---|---|
| **বিৱৰণ** | যিকোনো থলুৱা খাদ্য আৰু ইয়াৰ ৰন্ধন প্ৰকৰণ অথবা সু-স্বাদু পনীয়া দ্ৰব্য, আৰু সুন্দৰ সজ্জাৰ পৰিকল্পনাৰে তোমাৰ পৰিয়ালৰ বাবে আহাৰ প্ৰস্তুত কৰা আৰু পৰিয়ালক পৰিবেশন কৰিবলৈ দিয়া। |
| **শীৰ্ষস্থানীয় প্ৰশ্ন** | মাঁয়ে সদায় ৰান্ধি দিয়া সুস্বাদু আহাৰৰ পৰিৱৰ্তে এদিনৰ বাবে তুমি তোমাৰ আখলঘৰৰ ৰান্ধনি অথবা গৰাকী হ'ব পাৰিবানে? আৰু ঘৰত থকা অতিথিক তুমি তৈয়াৰ কৰা খাদ্যৰে আপ্যায়ন কৰোৱা। |
| **মুঠ সময়ৰ প্ৰয়োজন** | ৫ দিনত ৫-৬ ঘন্টাকৈ |
| **প্ৰয়োজনীয় সঁজুলি** | কাগজ, পেন্সিল, ৰং, পাকঘৰৰ সঁজুলি |
| **শিকনৰ ফলাফল** | ১) ব্যৱসায়িক পৰিকল্পনাৰ বিকাশ<br>২) খাদ্য তৈয়াৰ কৰোতে কি হয়, কেনেকৈ হয় বুজি পাব। |

## দিন ১

আজি তোমালোকে শিকিবা কেনেকৈ তোমাৰ নিজৰ আখলঘৰ আৰম্ভ কৰিবা আৰু চলাবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| **৫ মিনিট** | • শিক্ষাৰ্থী সকলৰ লগত খাদ্য প্ৰস্তুত কৰাৰ সন্দৰ্ভত এক কথোপকথনত মিলিত হওঁক আৰু তেওঁলোকক কওঁক যে তেওঁলোকে নিজাকৈ আখলঘৰ আৰম্ভ আৰু পৰিবেশন কৰোৱাৰ সুবিধা পাইছে। |
| <br>**৫ মিনিট** | • এই ব্যৱসায়ৰ বাবে শিক্ষাৰ্থী সকলক কি প্ৰয়োজন হব সেয়া বুজিবলৈ শিক্ষাৰ্থীয়ে ব্যৱসায়িক পৰিকল্পনা আৰ্হিৰ বিষয়ে আলোচনা কৰিব ।<br>**ব্যৱসায়িক পৰিকল্পনা আৰ্হি**<br>• **শাখা ১- আখলঘৰৰ এক ধাৰণাঃ** কিহে তেওঁলোকৰ আখলঘৰ বিশেষ কৰিব।<br>• **শাখা ২- অন্যান্য প্ৰয়োজনীয় পৰিকল্পনাঃ** অতিথি কোন? কেতিয়া আৰু ক'ত আমি এই বিশেষ খাদ্য পাম?<br>• **শাখা ৩- খাদ্য পৰিকল্পনাঃ** তুমি কেনেধৰণৰ আৰু কি কি খাদ্যৰ ব্যৱস্থা কৰিবা? উপকৰণ কি কি থাকিব? কেনেকৈ প্ৰস্তুত কৰিবা?<br>• **শাখা ৪ - বজাৰ, যোগাযোগ আৰু সুসজ্জাৰ পৰিকল্পনাঃ** তোমাৰ আখলঘৰৰ নাম কি হ'ব? কেনেকৈ তুমি তোমাৰ অতিথিক আখলঘৰলৈ আমন্ত্ৰণ কৰিবা? এখন মেন্যু প্ৰস্তুত কৰা। |

| | |
|---|---|
| ৫০ মিনিট<br> | • শিক্ষাৰ্থীয়ে শাখা ১ আৰু  শাখা ২ ৰ ব্যৱসায়িক পৰিকল্পনাৰ বিষয়ে ভাৱিব। (ধাৰণা আৰু অনান্য প্ৰয়োজনীয় শাখা)<br>• উদাহৰণ হিচাপে তেওঁলোকে নিজে কি খাই বেছি ভাল পায় আৰু তাৰ অভিজ্ঞতাৰে কিহে এই খাদ্য বিশেষ কৰি তুলিব তাৰ বিষয়ে ভাৱি অন্তৰ্ভূক্ত কৰিবঃ তৎক্ষনাৎ ৰন্ধা বা তৈয়াৰ কৰিব পৰা এবিধ খাদ্য, নিজে ভাল পোৱা এবিধ খাদ্য, বিশেষ সময়ৰ এবিধ খাদ্য (যেনে-বৰষুণৰ বতৰ, চিনেমা চাই থকাৰ সময়ত, গৰমৰ দিনত, উৎসৱৰ সময়ত ইত্যাদি)।<br>• শিক্ষাৰ্থীসকলে তেওঁলোকৰ অতিথি আৰু পৰিয়ালৰ সদস্য সকলৰ নামৰ তালিকা প্ৰস্তুত কৰিব।<br>• শিক্ষাৰ্থী সকলে পৰিয়ালৰ সদস্য সকলক পচন্দৰ খাদ্য অথবা খাদ্যৰ অভিজ্ঞতাৰ বিষয়ে সুধিব।<br>• পৰিয়ালৰ সদস্যৰ লগত কথোপকথনৰ পিছত ক'ত আৰু কেতিয়া শিক্ষাৰ্থী সকলে খাদ্য প্ৰস্তুত কৰিব তাক নিশ্চিত কৰিব। |

# দিন ২

আজি তোমালোকে তোমালোকৰ আখলঘৰৰ ব্যৱসায়িক পৰিকল্পনাৰ ওপৰত কাম কৰি থাকিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| ৪৫ মিনিট<br> | • শিক্ষাৰ্থীয়ে ব্যৱসায়িক পৰিকল্পনাৰ শাখা ৩ৰ ওপৰত কাম কৰিব (খাদ্য পৰিকল্পনা)।<br>• শিক্ষাৰ্থীয়ে পৰিয়ালৰ লগত আলোচনা কৰিব কেনেকৈ নিৰ্বাচিত খাদ্য প্ৰস্তুত কৰিব আৰু প্ৰস্তুত প্ৰণালীৰ উদাহৰণ চাই স্তৰসমূহ ক্ৰম অনুযায়ী অনুসৰণ কৰিব।<br>• শিক্ষাৰ্থীয়ে প্ৰয়োজনীয় উপকৰণৰ এখন তালিকা প্ৰস্তুত কৰিব আৰু ঘৰত সেয়া উপলব্ধ আছে নে নাই নিৰীক্ষণ কৰিব।<br>  ○ কম সময়ত দুবিধ সহজে ৰান্ধিব অথবা তৈয়াৰ কৰিব পৰা খাদ্য নিৰ্বাচিত কৰা। যেনেঃ- যিকোনো চৰ্বত, বতৰৰ ফলৰ পৰা বনাব পৰা যিকোনো লঘু আহাৰ ইত্যাদি। (সহজে উপলব্ধ উপকৰণেৰে তৈয়াৰ কৰিব পৰা খাদ্যহে নিৰ্বাচন কৰিব।) |
| ১৫ মিনিট | • শিক্ষাৰ্থীয়ে সকলো খাদ্যৰ নামসহ এখন মেন্যুৰ পৰিকল্পনা কৰিব। |

# দিন ৩

আজি তোমালোকে ব্যৱসায়িক পৰিকল্পনা আৰু আখলঘৰৰ প্ৰস্তুতিৰ কাম সম্পূৰ্ণ কৰিবা।

| প্ৰস্তাবিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| ৩০ মিনিট | • শিক্ষাৰ্থীয়ে ব্যৱসায়িক পৰিকল্পনাৰ শাখা ৪ (বজাৰ, যোগাযোগ আৰু সু-সজ্জা) আৰু প্ৰতিক্ৰিয়া ফৰ্মৰ ওপৰত কাম কৰিব।<br>• শিক্ষাৰ্থীয়ে আখলঘৰৰ এটা সুন্দৰ নাম আৰু আমন্ত্ৰিত অতিথিসকলৰ বাবে খাদ্য সজ্জাৰ কথা ভাৱিব। |
| ১০ মিনিট | আখলঘৰৰ টেবুলকে আদি কৰি সম্পূৰ্ণৰূপে সজোৱাৰ পৰিকল্পনা কৰিব। |
| ২০ মিনিট | প্ৰতিক্ৰিয়া ফৰ্মৰ পৰিকল্পনা কৰিব(পৰামৰ্শঃ তিনিবিধ বিভন্ন প্ৰকাৰৰ মুখাংকন কৰিব -খাদ্য বেয়া পোৱা, খাদ্য ভাল পোৱা, খাদ্য বেছি ভাল পোৱা ) |

# দিন ৪

আজি তোমালোকে ৰান্ধিবা আৰু তোমাৰ পৰিয়ালক পৰিবেশনৰ বাবে দিবা।

| প্ৰস্তাবিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| ২ ঘণ্টা  | ▪ শিক্ষাৰ্থীয়ে প্ৰয়োজনীয় সকলো উপকৰণ আৰু সামগ্ৰী একেলগে গোটাই নিজৰ আখলঘৰত খাদ্য প্ৰস্তুত কৰিব।<br>▪ সকলোৰে বাবে একেলগে সুসজ্জিত খাদ্যৰ পাত্ৰে অতিথিক আপ্যায়ন কৰিব।<br>▪ শিক্ষাৰ্থীয়ে অতিথিসকলৰ পৰা খাদ্যৰ ওপৰত প্ৰতিক্ৰিয়া জানিব বিছাৰিব।  |

# দিন ৫

আজি তোমালোকে আখলঘৰৰ ওপৰত প্ৰতিক্ৰিয়া শুনিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| ৩০ মিনিট | শিক্ষাৰ্থী সকলে প্ৰতিক্ৰিয়া ফৰ্মৰ সহাঁৰিৰ ওপৰত ভিত্তি কৰি এখন বাৰংবাৰতাৰ (Tally) তালিকা প্ৰস্তুত কৰিব আৰু ইয়াৰ পৰা পিছলৈ পৃথকে কি কৰিব পৰা যাব সেয়া বিবেচনা কৰিব। |

# মূল্যায়নৰ মাপকাঠী



- ব্যৱসায়িক পৰিকল্পনাৰ স্পষ্টতা।
- ৰন্ধন প্ৰণালী, সাক্ষাৎকাৰ গৱেষণাৰ সম্পূৰ্ণতা।
- বজাৰৰ উপাদানত সৃজনশীলতা।
- ৰন্ধনত অধ্যৱসায়।

---------------------